# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | APRIL 2023 | No. 10


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

গীতমালা ১১৩ ঃ ১-৯

১। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। হে যিহোৱাৰ দাসবিলাক প্ৰশংসা কৰা, যিহোৱাৰ নামৰ প্ৰশংসা কৰা।

২। এতিয়াৰ পৰা অনন্তকাললৈকে যিহোৱাৰ নাম ধন্য হওঁক।

৩। সূৰ্য্যৰ উদয় স্থানৰ পৰা অস্ত স্থানলৈকে যিহোৱাৰ নাম প্ৰশংসনীয়।

৪। যিহোৱা সমুদায় জাতিতকৈ উন্নত আৰু তেওঁৰ গৌৰৱ আকাশমণ্ডলতকৈও ওখ।

৫। যিজনাৰ আসন ওপৰত আছে।

৬। যিজনাই আকাশ-মণ্ডল আৰু পৃথিৱীলৈ দৃষ্টি কৰিবৰ নিমিত্তে নিজকে নম্ৰ কৰিলে,

৭। যিজনাই প্ৰধানবিলাকৰ লগত বহুৱাবলৈ, নিজ প্ৰজাবিলাকৰ প্ৰধান লোকৰ লগত বহুৱাবলৈ,

৮। ধূলিৰ পৰা দুখীয়াক, সাৰৰ দ'মৰ পৰা দীনহীনক তোলে,

৯। যিজনাই বাজী তিৰোতাক পৰিয়াল থকা কৰে, আৰু সন্তান থকা সুখী মাতৃ কৰে, আমাৰ সেই ঈশ্বৰ যিহোৱাৰ তুল্য কোন? তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

# প্ৰকৃত জাগৰণ !

(আমাৰ মুখ্য মণ্ডলীত পালক এচ. চাম ছেলভা ৰাজে বিলোৱা বাৰ্তা)

## REAL REVIVAL!

খ্ৰীষ্টিয়ান চক্ৰত বহলভাৱে ব্যৱহাৰ হোৱা 'জাগৰণ' শব্দটো মই মোৰ বাইবেলত বিচাৰিছিলো। মই এই শব্দটো বিচাৰি নাপালো। জাগৰণ শব্দৰ অৰ্থটো নিজেই এটা মহান শিক্ষা পোৱা হয়। যেতিয়া মানুহে ভাৰতত আত্মিক সভাৰ বিষয়ে কথা কয়, এইটো সাধাৰণতে শুভবাৰ্তাৰ সভা, জাগৰণ সভা আৰু ক্ৰুচেদ বুলি কয়। কিছুমান দেশত এনে সভাবোৰক 'জাগৰণ' বুলি কোৱা হয়। যি বাৰ্তা আজি মই আপোনালোকৰ আগত প্ৰকাশ কৰিব বিচাৰিছো সেয়ে হৈছে 'পৰৱৰ্তী বৃষ্টি'ৰ দৰে ঈশ্বৰে বৰষাই দিয়ে, ইয়াত ঈশ্বৰে নতুন জীৱন বা আত্মিক জাগৰণ আনে।

এইদৰে কোৱা হয় যে জাগৰণ শব্দটো লেটিন ভাষাৰ পৰা লোৱা হৈছে। ইংৰাজী ইয়াৰ অৰ্থ 'ৰিৱেকেনিং' (পুনৰ জাগৰণ) বুজায়। ভিভ'ৰ অৰ্থ হৈছে 'জীৱনলৈ অহা'। ইয়াৰ অৰ্থই ইয়াকে বুজাই যে কোনোবাই মৃত্যুৰ মুখৰ পৰা জীৱন লাভ কৰিছে। ইয়ে মৃত মানুহক জীয়াই তোলাটোক নুবুজায়। কিন্তু এজন অচল মানুহক গতিশীল কৰাক বুজায়। হৃদপিণ্ডে হঠাৎ আক্ৰমণ কৰাত মানুহৰ হৃদয়ে কাম কৰা বন্ধ কৰি দিব পাৰে। কিন্তু সেই মানুহজনৰ হৃদয়টোক জৰুৰী চিকিৎসা প্ৰদান কৰাৰ দ্বাৰাই জাগৃত কৰা হয়। জীৱনলৈ পুনৰ ঘূৰাই অনাৰ এই পদ্ধতিটোক জাগৰণ বুলি কোৱা হয়।

স্বৰ্গীয় এচ. দেবাদাসনৰ 'হেৰল্ড অফ্ হিজ কামিং' নামৰ পৰিচৰ্য্যাৰময়ো এজন

৩ পৃষ্ঠাত চাওঁক


ইখ অফ হীজ কল



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



“...মই তোমাক ৰথত তুলি পৃথিৱীৰ ওখ ঠাইবোৰৰ ওপৰত ফুৰাম আৰু তোমাৰ পিতৃ যাকোবৰ আধিপত্য তোমাক ভোগ কৰাম...” যিচয়া ৫৮:১৪

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

ঈশ্বৰত মোৰ প্ৰিয়জন,

অনেক ভাল বস্তু আপোনালৈ আহিব! নিৰ্ভয়ে থাকক।”

পৃথিৱীত, শুভবাৰ্তা বিস্তাৰ কৰাত কেৱল আমিয়েই কাৰ্য্য কৰি থকা নাই। অনেক মণ্ডলীসমূহে আৰু বিভিন্ন খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাকে তেওঁবিলাকৰ পৰিচাৰকসকলক ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবলৈ, মানুহক পাপৰ পৰা উদ্ধাৰ কৰিবলৈ ৰোগৰ পৰা আৰু দৰিদ্ৰতাৰ পৰা উদ্ধাৰ কৰিবলৈ পঠাই আছে। এই অনুষ্ঠানবিলাকৰ বাবে আৰু মণ্ডলীসমূহৰ বাবে আৰু ঈশ্বৰৰ দাসসকলৰ বাবে আমি নিৰন্তৰে প্ৰাৰ্থনা কৰিব লাগে। আমি যিমানেই পাৰো সিমানেই তেওঁবিলাকক সহায় কৰিব লাগে। মণ্ডলীৰ বিভিন্ন বিশ্বাসৰ আৰু মতামতৰ ভেদাভেদক আমি ধ্বংস কৰিব লাগে আৰু সেই সকলোবিলাকক পাহৰি আমি এক দলৰ সৈনিক হিচাপে থিয় হোৱা উচিত।



নতুন গীৰ্জাঘৰৰ দ্বাৰ মুকলি

আমাৰ নহিমিয়া বাইবেল কলেজৰ এজন প্ৰাক্তন ছাত্ৰ, পালক, জে. ৰাজামণি আৰু তেওঁৰ ভাৰ্য্যা পালক আৰ. বিমলক পালক হিচাপে অৰ্ডেনেশ্বন কৰা হয় আৰু এই বছৰৰ জানুৱাৰীৰ ২৬ তাৰিখে পালাভৰকাৰো নামে ঠাইত তেওঁলোকক পালক হিচাপে নিযুক্তি দিয়া হ'ল। সেইদিনাৰ উপাসনা সকলোৱে আশীৰ্বাদ পাইছিল। সেই মণ্ডলী আৰু যিজন ব্যক্তিক তাত ৰখা হৈছে। তাত আশীৰ্বাদ পাবলৈ আহক আমি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰো। ভাৰতৰ গ্ৰাম্য অঞ্চলত থকা ঈশ্বৰৰ সকলো দাসসকলৰ উন্নতি হ'ব লাগে আৰু জাগৃত হ'ব লাগে। আমি জানো যে ভাৰতত ৭,০০,০০০ খন গাওঁ আছে। আমি যিকোনো উপায়েৰে শুভবাৰ্তা নোপোৱা এই ঠাইবিলাকলৈ যাব লাগিব।

**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিয়ালৰ দায়িত্ব ঃ**

মানুহবিলাকক ধ্বংস হোৱাৰ পৰা উদ্ধাৰ কৰিবলৈ আৰু তেওঁলোকক চলাই নিবলৈ অতি



তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিয়াল

CHIEF EDITOR
Angeline Selvakumari Henry, M.A., M.Ed.
MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
EDITORIAL BOARD
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran
EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
CORE LEADERS
Bro. K. Puratchivendan
Dr. Rabinder Boaz, M.S.
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah
E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call



*Servant of God engaged in evangelism*

বিশ্বাসী হৈ পৰিচৰ্য্যা কৰা ঈশ্বৰৰ দাসসকল বহুত কষ্ট পাই আছে। এনে লোকসকলৰ মৌলিক চাহিদা আমি পূৰণ কৰিব লাগে। চয়তানে এওঁ লোকক শাৰিৰীকভাৱে আৰু আত্মিকভাৱে আক্ৰমণ কৰি আছে। যদি আপুনি ঈশ্বৰৰ এনে দাসসকলক জানে তেন্তে আপুনি ধন আৰু শাৰীৰিক সহায় আগবঢ়াওক। ঈশ্বৰৰ অনেক ধনী-দাসসকলে, আৰম্ভণিতে তেওঁলোকৰ যি যি আহ্বান আৰু দৰ্শনবোৰ আছিল এতিয়া সেই সকলোবোৰ তেওঁলোকে পাহৰি পেলালে। তেওঁলোকে এতিয়া নিজ নিজ শান্ত্বনা আৰু সম্পতিক বৃদ্ধি কৰাত ব্যস্ত হৈ আছে। পৰিচৰ্য্যাৰ নামত, তেওঁলোকে ডাঙৰ ডাঙৰ গৃহ নিৰ্মাণ কৰে যিবোৰ প্ৰকৃততে সিমান প্ৰয়োজনো নহয়। এইদৰে, তেওঁলোক তেওঁলোকৰ পথৰ পৰা বিভ্ৰান্ত হৈছে। অনুগ্ৰহ কৰি এনে মানুহবিলাকক সহায় কৰিবলৈ বন্ধ কৰক আৰু যিসকলে প্ৰকৃততে ঈশ্বৰৰ বাবে আত্মা জয় কৰিবলৈ কঠোৰ পৰিশ্ৰম কৰি আছে এনে লোকসকলক সহায় কৰক। ঈশ্বৰৰ এনে দাসসকলক বিচাৰি উলিয়াওক আৰু তেওঁলোকৰ এই প্ৰচেষ্টাক সহায় কৰক।

ঈশ্বৰৰ এনে অনেক দাসসকল আছে যিসকলে খ্ৰীষ্টৰ অবিহনে নৰকৰ ফালে যোৱা কোটি কোটি লোকক লক্ষ্য কৰি আছে। তেওঁলোকৰ কিছুমান আনকি খ্ৰীষ্টৰ দ্বিতীয় আগমনৰ বিষয়ে প্ৰচাৰ কৰে আৰু তেওঁলোকে মানুহবিলাকক যিকোনো সময়ত আহিব বুলি খ্ৰীষ্টৰ পুনৰাগমনক গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু তেওঁলোকৰ প্ৰকাণ্ড গৃহ নিৰ্মাণ কৰিবলৈ পৰিকল্পনাবিলাক থাকে আৰু কোটি কোটি টকা পুজি সংগ্ৰহ কৰিবলৈ আঁচনিবোৰ বনায়, এইটো দৰকাৰনে? এইটো এটা ধূৰ্ত প্ৰতাৰণা নহয়নে? মণ্ডলীৰ চলাওতাসকলে একেলগে এনে কাৰ্য্য কৰিব পাৰেনে? দয়া কৰি এই বিষয়টোক গমি চাওক আৰু আত্মাৰ বাবে প্ৰকৃত বোজা লৈ ঈশ্বৰৰ সেৱা কৰা ঈশ্বৰৰ দাসসকলক সহায় কৰক।

চাইকেল এখনো নথকা আৰু সৰু মণ্ডলীবোৰ য'ত উপযুক্ত ঘৰৰ চাল বা মজিয়া নাই আৰু পৰৱৰ্তী আহাৰ ঈশ্বৰৰ পৰা পাবলৈ আশা কৰি থাকে এনে লোকসকলক বিচাৰি উলিওৱাটো এজন জ্ঞানীৰ কাৰ্য্য হ'ব। আমি যাতে আনৰ দ্বাৰাই প্ৰতাৰিত নহওঁ তাৰ বাবে সাৱধান হোৱা উচিত।

কিছুমান মানুহে তেওঁলোকৰ ব্যৱসায়ৰ পৰা শিকি প্ৰতাৰণামূলক পৰিকল্পনা আৰম্ভ কৰে। তেওঁলোকে ঈশ্বৰ আৰু তেওঁলোকৰ পৰিচৰ্য্যাক তালিকাত অন্তৰ্ভুক্ত কৰাৰ লগতে বেচিব পৰা বস্তুকো অন্তৰ্ভুক্ত কৰি লয়। পৰিচৰ্য্যাত তেওঁলোকে বস্তু বেচি নিজৰ ব্যৱসায় কৰে। এনে লোকবিলাকক চিনাক্ত কৰি জ্ঞানেৰে কাৰ্য্য কৰক আমি নিশ্চয়ে আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰিম।

আমি আমাৰ নহিমিয়া বাইবেল কলেজখনৰ মানদণ্ডক উন্নত কৰাৰ সিদ্ধান্ত লৈছো আৰু অধিক ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিবলৈ আৰু B.Th ডিগ্ৰী দিবলৈ সিদ্ধান্ত লৈছো। আমি B.Th অনলাইন প্ৰগাম আৰম্ভ কৰিবলৈ লৈছো। আপোনাৰ নিজ নিজ মণ্ডলীত আৰু আপোনালোকে জনা লোকসকলক এই বিষয়টোক জনাই অধিক ছাত্ৰ-ছাত্ৰীসকলক ইয়াত নামভৰ্তি কৰাবলৈ আমি প্ৰেমেৰে আপোনালোকক অনুৰোধ জনাইছো। এই বিষয়ে আমি আপোনালোকৰ মতামত আৰু পৰামৰ্শ পাবলৈ আশা ৰাখিছো। অধিক জানিবলৈ আমাৰ সৈতে যোগাযোগ কৰক। প্ৰভু যীচুৱে আপোনালোকক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858,

E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

উংপাদিত আছিলো। ইয়াত আপোনালোকে শুনিলে যে মোক হেৰল্ড অফ্ হিজ কামিঙৰ উংপাদিত বা ফল বুলি পৰিচয় দিয়া হৈছে। আমি ক'ব পাৰো 'জাগৰণ' বা 'ফল' পবিত্ৰ আত্মাৰ উংপাদন হয় বা ইয়াক পবিত্ৰ আত্মাৰ দ্বাৰাই অনা হৈছে। য'তেই পবিত্ৰ আত্মাই কাৰ্য্য কৰে, তাতেই আমি জাগৰণ দেখা পাওঁ। এইয়া মানুহৰ কাৰ্য্য নহয় কিন্তু ঈশ্বৰহে কাৰ্য্য হয়। অধাৰ্মিকবিলাকৰ মাজত জাগৰণ কেতিয়াও নাহে।

জাগৰণে অজ্ঞান সাধুবিলাকক ডেউকা দিয়ে আৰু ঈশ্বৰৰ কাষলৈ পুনৰ আনে। বিশ্বাসৰ পৰা খহি যোৱা লোকবিলাকক সচেতন কৰি জাগ্ৰত কৰে আৰু সঠিক পথলৈ আনে। জাগৰণে সমাজত ঈশ্বৰৰ উপস্থিতিক অংকিত কৰাত সহায় কৰে, ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে মানুহবিলাকৰ অজ্ঞানতাক গুচাই দিয়ে আৰু অতি প্ৰাকৃতিক জাগৰণ আনি দিয়ে।

বিস্ফোৰিত জাগৰণৰ বাবে সাধাৰণ প্ৰাৰ্থনা কৰা যথেষ্ট নহয় কিন্তু আমি তলত আৰু অসাধাৰণ প্ৰাৰ্থনা কৰাৰ প্ৰয়োজন আছে। প্ৰকৃত জাগৰণক আধুনিক বাদ্য যন্ত্ৰৰ দ্বাৰাই বা অধিক হুলস্থুল কৰাৰ দ্বাৰাই বা নাচ-গান কৰাৰ দ্বাৰাই আনিব নোৱাৰে। আমাৰ আঁঠু মাটিত পেলাই কৰিলেহে হ'ব। চেন্নাই চহৰখনত বহুত ডাঙৰ ডাঙৰ মণ্ডলী আছে। কিন্তু কিছুমান অঞ্চলত এতিয়াও শুভবাৰ্তা শুনা নাই। আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিও এনেকুৱা ঠাইতে থকা মণ্ডলী আছিল। আমাৰ বহুত ঈশ্বৰৰ দাসে শেষত ইয়াকে সিদ্ধান্ত ল'লে যে এই অঞ্চলটোত আৰু কেতিয়াও ঈশ্বৰৰ শুভবাৰ্তা দিব পৰা নাযাব। কিন্তু সেই গ্ৰহণযুক্ত নোহোৱা

ঠাইত ঈশ্বৰে তেওঁৰ শুভবাৰ্তাক কঢ়িয়াই লৈ যাবলৈ দায়িত্ব দিলে। ইয়াক পৰিপূৰ্ণ কৰিবলৈ, আমাৰ বহুত লঘোণ প্ৰাৰ্থনাৰ প্ৰয়োজন হৈছিল। অৱশেষত ঈশ্বৰে ডাঙৰ জাগৰণ আনিলে। ধ্বংসৰ ফালে যোৱা অসংখ্য মানুহে প্ৰভুৰ এই শুভবাৰ্তাক পালে। ইয়াত এটা মণ্ডলী স্থাপন হ'ল। বহুত মানুহে পিতা, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামত বাপ্তিস্ম ল'লে আৰু মণ্ডলীত যোগদান কৰিলে।

এই জাগৰণৰ কাৰণে আমাৰ অঞ্চলৰ কাষত থকা পেৰাগন চিনেমা ঘৰ, নতুন এলফিন্ডষ্টন চিনেমা ঘৰ, ষ্টাৰ চিনেমা ঘৰ এই যিবিলাক মন্দ কাৰ্য্যৰ মূল কেন্দ্ৰ আছিল ধ্বংস কৰা হ'ল আৰু তাৰ পৰিৱৰ্তে এই ঠাইবিলাকত নতুন নতুন ঘৰ নিৰ্মাণ কৰা হ'ল। যিবিলাকে বেয়া বেয়া অভ্যাস, কাজিয়া-পেচাল, নিচাসক্ত আৰু অশুচি কাৰ্য্যবিলাকত লিপ্ত হৈ আছিল সেই সকলোৱেই নিজ নিজ হৃদয়ক পৰিৱৰ্তন কৰিলে, জীৱিত ঈশ্বৰক গ্ৰহণ কৰিলে, আমাৰ মণ্ডলীত ভুক্ত হ'ল আৰু ঈশ্বৰলৈ মহৎ মহৎ সাক্ষী হৈ চলি আছে।

এতিয়া আমি গমি চোৱা উচিত যে এই জাগৰণ খন্তেকীয়া আছিল নে? বা স্থায়ী আছিল? কেনেকৈ ইয়াক জীয়াই ৰাখিব পাৰি?

এই পৃথিৱীৰ বহু দেশত জাগৰণী সভা হৈ থাকে। উদাহৰণস্বৰূপে স্কটলেণ্ড আৰু কোৰিয়া দেশখনক লওঁ। ঈশ্বৰৰ দাস, জন নক্সে স্কটলেণ্ডত জাগৰণৰ বাবে আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিছিল। তাত ঈশ্বৰে ডাঙৰ জাগৰণ পঠিয়ালে। তাৰ ফলস্বৰূপে হাজাৰ হাজাৰ মানুহে প্ৰভু যীচু খ্ৰীষ্টক তেওঁলোকৰ ব্যক্তিগত ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিলে। দেশখনৰ অগ্ৰগতি হ'ল, আৰ্থিক সমৃদ্ধি হ'ল, অনেক গীৰ্জাঘৰ নিৰ্মাণ হ'ল, প্ৰত্যেক ঠাইত প্ৰাৰ্থনা সভাবিলাক আৰু আত্মিক কাৰ্য্যবিলাক হৈ আছিল। অনেক যুৱক আৰু যুৱতীসকলে নিজ নিজ পাপ স্বীকাৰ কৰি ঈশ্বৰৰ আলিংগনত আহিছিল। তেওঁলোকৰ বিলাসী জীৱনবোৰক ত্যাগ কৰি পৃথিৱীৰ বিভিন্ন ঠাইলৈ, মিশ্বনেৰী হিচাবে গৈছিল আৰু শুভবাৰ্তা প্ৰচাৰ কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টাতহে ভাৰত আৰু আন দেশসমূহত মণ্ডলী, স্কুল আৰু চিকিৎসালয়বিলাক স্থাপিত হৈছিল। কিন্তু আজি এই দেশখনৰ (স্কটলেণ্ড) অৱস্থা কি হৈ আছে?

অলপতে মই যেতিয়া এই দেশ পৰিদৰ্শন কৰিছিলো। মই জানি আচৰিত হ'লো যে এতিয়া তাত প্ৰকৃত খ্ৰীষ্টিয়ানৰ সংখ্যা অতি তাকৰ। বহুত মানুহে তাত যীচু খ্ৰীষ্টৰ অবিহনে থাকি আছে। ওখ ওখ বৃহৎ গীৰ্জাঘৰ বিধৰ্মী লোককৈ বেচি দিয়া হ'ল আৰু সেইবিলাকত এতিয়া প্ৰতিমা সেৱা, অশুচি পণ্যদ্ৰব্যৰ ব্যৱসায়িক কেন্দ্ৰ, মদৰ দোকান, নাচঘৰ, নাটঘৰ, অশ্লীল চিনেমা ঘৰ আৰু অধিক কাৰ্য্যবোৰ ঘটি আছিল যাক বৰ্ণনা কৰিব নোৱাৰি। তাতকৈও দুখলগা বিষয় হ'ল এতিয়াও সেই গৃহবিলাকত ক্ৰুচৰ চিন লাগি আছে।

ঈশ্বৰৰ এজন লোকে মোক স্কটলেণ্ডৰ এটা ডাঙৰ প্ৰেক্ষাগৃহত তাৰ লোকবিলাককৈ ঈশ্বৰৰ বাক্যৰ শিক্ষা দিবলৈ নিমন্ত্ৰণ কৰিছিল। তেওঁ যেতিয়া মোক নিমন্ত্ৰণ কৰিছিল তেতিয়া এই কথাষাৰ কৈছিল, "পালক, এই লোকবিলাকে যীচু খ্ৰীষ্টৰ বিষয়ে বা খ্ৰীষ্টিয় বিশ্বাসৰ বিষয়ে একো নাজানে। গতিকে আপোনাৰ শিক্ষা জীৱিত প্ৰভু যীচু খ্ৰীষ্টৰ পৰিচয়ৰ ওপৰত ভিত্তি কৰিলে ভাল হয়।" যদিও তেওঁৰ বাক্য শুনাত বৰ খেলিমেলি যেন হ'লেও, যেতিয়া মই সেই দেশত বৃহৎ সংখ্যাৰ মানুহলৈ প্ৰভু যীচু খ্ৰীষ্টৰ মৌলিক তথ্যৰ বিষয়ে শুভবাৰ্তাৰ শিক্ষা দিলো, অনেক লোকে চকুলোৰে মন পালটন কৰিলে আৰু প্ৰভু যীচু খ্ৰীষ্টক ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিলে। এইটো এটা আচৰিত দৃশ্য আছিল।

তেওঁলোকে তেওঁলোকৰ বিশ্বাসৰ পৰা খহি যোৱাৰ কাৰণ কি আছিল? তেওঁলোকে তেওঁলোকৰ প্ৰথম প্ৰেমক হেৰুৱাই দিছিল। জাগতিক শিক্ষা-দীক্ষা, আৰ্থিক সমৃদ্ধি, কৌতুকপূৰ্ণ জীৱন, মাদকদ্ৰব্য ইত্যাদিয়ে তেওঁলোকৰ মনবোৰক ভোটা কৰি দিছিল আৰু তেওঁলোকে প্ৰাৰ্থনাশীল জীৱনক এটা ভিন্ন গ্ৰহৰ বস্তু বুলি ভাবিছিল। তেওঁলোকে তেওঁলোকৰ জীৱনৰ পৰা পবিত্ৰতাক বিচ্ছিন্ন কৰি দিছিল।

ইয়াৰ বিপৰীতে কোৰিয়াৰ লোকে পোৱা জাগৰণৰ অভিজ্ঞতাৰ বিষয়ে কওঁ।

যেতিয়া কোৰিয়া দেশ অৰ্থনৈতিক, শিক্ষা আৰু সংস্কৃতিৰ তল পৰি আছিল তেতিয়া

৬ পৃষ্ঠাত চাওঁক


## नहेम्याह बाइबल कॉलेज
### रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

*सदस्यता के लिए पंजीकृत उम्मीदवार* - ATA

**सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान**

**सर्टिफिकेट इन थियोलॉजी – 1 साल**

**डिप्लोमा ऑफ थियोलॉजी – 2 साल**

**योग्यता 10 वी या अधिक**
**जल्दी करें!**

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ऑनलाइन कक्षाएं उपलब्ध हैं ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৰা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৰা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৰা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ এপ্ৰিল পৰা ২০২৩ চনৰ ১৮ মেলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

এপ্ৰিল ১৯ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, চাবচক্ৰাইব অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সকলোলৈ ঈশ্বৰৰ দয়াৰ বাবে।

এপ্ৰিল ২০ ঃ ১৬ টা ভাষাত আমাৰ আলোচনীসমূহ আমাৰ ছপাশালত ছপা কৰি মিশ্বন ফিল্ড লৈ পঠোৱাত তেওঁৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২১ ঃ এচবাৰি জাগৰণৰ যোগেদি পৰৱৰ্তী বৃষ্টিৰ সৈতে আমেৰিকাক আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২২ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভাৰ পৰিচৰ্য্যা পৰিদৰ্শনৰ সময়ত আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২৩ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজৰ ৫ মিনিট ইউ টিউব বাৰ্তাৰ যোগেদি সাক্ষ্যদানৰ বৃদ্ধি হোৱাৰ বাবে।

এপ্ৰিল ২৪ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল আৰু নহিমিয়া বাইবেল কলেজৰ সকলো কাৰ্য্যকলাপ বিলাকৰ বাবে।

এপ্ৰিল ২৫ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে কৃতকাৰ্য্যৰে দশমমানৰ পৰীক্ষা সম্পূৰ্ণ কৰাত আশীৰ্বাদ পোৱাৰ বাবে।

এপ্ৰিল ২৬ ঃ আমাৰ অনুস্থানৰ বাবে নতুন নতুন দক্ষপূৰ্ণ প্ৰাৰ্থীসকলক পোৱাৰ বাবে।

এপ্ৰিল ২৭ ঃ আমাৰ সকলো সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালসকলৰ বাবে।

এপ্ৰিল ২৮ ঃ আমাৰ নহিমিয়া বাইবেল কলেজত নতুনকৈ বি, টি, এইচ, অনলাইন পাঠ্যক্ৰম আৰম্ভ কৰাত তেওঁৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২৯ ঃ আমাৰ বিব্লেকৰ (বাইবেল যোগাযোগ পাঠ্যক্ৰম) আৰু থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰমক আশীৰ্বাদ কৰাৰ বাবে।

এপ্ৰিল ৩০ঃ আমাৰ পৰিচৰ্য্যামূলক যাত্ৰাত আশীৰ্বাদ কৰাৰ বাবে।

মে ০১ ঃ আমাৰ কৰ্মীসকলক, তেওঁলোকৰ পৰিয়ালক আৰু তেওঁলোকৰ নিৰাপত্তাত আশীৰ্বাদৰ বাবে।

মে ০২ ঃ আমাৰ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক ঈশ্বৰে সকলো মন্দা শক্তিৰ পৰা ৰক্ষা কৰাৰ বাবে।

মে ০৩ ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ৰজত জয়ন্তী আৰু বাৰ্ষিক দিৱস উদ্‌যাপন দিন পালন কৰাত আশীৰ্বাদৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

মে ০৪ ঃ গোটেই পৃথিৱীৰ হস্পিতেলবিলাকত দীৰ্ঘদিন ধৰি প্ৰান্তিক অসুস্থতাত ভুগি থকা ৰোগীসকলৰ বাবে।

মে ০৫ ঃ ইখ অফ হীজ ক'লৰ ইউ টিউব চেনেলৰ নতুন নতুন চাবচক্ৰাইবাৰ সকলৰ বাবে।

মে ০৬ ঃ আমাক উত্তৰ ভাৰতৰ মিশ্বনেৰীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে।

মে ০৭ ঃ পৰিচৰ্য্যা আৰু মিশ্বনেৰীসকলৰ বিৰুদ্ধে নৃশংসতা বন্ধ হোৱাৰ বাবে।

মে ০৮ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গই সকলো ধৰণৰ মন্দ শক্তিবোৰৰ পৰা নিৰাপদ জীৱন-যাপন কৰিবৰ বাবে।

মে ০৯ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ গ্ৰেজুৱেশ্বন ফাংশ্বন ৩ জুন, ২০২৩ তাৰিখে হ'বলৈ আছে।

মে ১০ ঃ সকলো মণ্ডলীবিলাকে আত্মা জয় কৰিবলৈ আৰু জাগৰণ হ'বলৈ।

মে ১১ ঃ তুৰ্কি আৰু চিৰিয়া দেশে অলপ আগতে হোৱা ভূমিকম্পত ক্ষতিবিলাকৰ পৰা উদ্ধাৰ পাবৰ বাবে।

মে ১২ ঃ আমাৰ শুভবাৰ্তা ছপাশাল আৰু ইয়াৰ নিয়মীয়া কাৰ্য্যকলাপবিলাকৰ বাবে।

মে ১৩ ঃ আমাৰ পৰিচৰ্য্যাসমূহৰ আৰ্থিক অভাৱবোৰ পূৰ্ণ হ'বৰ বাবে প্ৰাৰ্থনা কৰক।

মে ১৪ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ অনলাইন পাঠ্যক্ৰমৰ বাবে উপযুক্ত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰিবৰ বাবে।

মে ১৫ ঃ আমাৰ ছেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২৩-২৪ শিক্ষাবৰ্ষৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি।

মে ১৬ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ ২০২৩-২৪ শিক্ষাবৰ্ষত উপযুক্ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে।

মে ১৭ ঃ আমাৰ অনুস্থানৰ কৰ্মীসকলে এক মন আৰু একতাৰে কাৰ্য্য কৰিবলৈ।

মে ১৮ ঃ আমাৰ সকলো সহ-সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

ঈশ্বৰে পৌল য়ঙ্গী চ নামৰ এজন লোকক তুলিলে। ঈশ্বৰে তেওঁৰ প্ৰাৰ্থনাৰ উত্তৰ দিলে আৰু এক ডাঙৰ জাগৰণ পঠিয়ালে। এই জাগৰণৰ বাবে, সেই দেশখন আৰ্থিক দিশত আৰু শিক্ষাৰ দিশত বৃদ্ধি হৈ গ'ল। ঈশ্বৰৰ লোকবিলাকে প্ৰাৰ্থনাশীল জীৱনক অতি গুৰুত্ব দি আছে আৰু পবিত্ৰ জীৱন-যাপন কৰি আছে। প্ৰতিদিনেই গীৰ্জাঘৰবোৰত প্ৰাৰ্থনা হৈ আছে, ডাঙৰ ডাঙৰ প্ৰাৰ্থনা গৃহ নিৰ্মাণ কৰা হৈছে আৰু দিনে-নিশাই একেৰাহে তাত প্ৰাৰ্থনা হৈ আছে। এই বিৰামহীন প্ৰাৰ্থনাৰ দ্বাৰাই স্বৰ্গলৈ সুগন্ধিযুক্ত বাক্যবোৰ পঠিওৱা হৈছে।

ইয়াত ঈশ্বৰৰ দাসসকলে তেওঁলোকৰ প্ৰথম, প্ৰেমক প্ৰাৰ্থনাৰ পিয়াহক, তেওঁলোকৰ পবিত্ৰতাক, জাগৰণৰ ফলৰ প্ৰভাৱক হেৰুৱা নাছিল আৰু সমস্ত ৰক্ষণা দি ৰক্ষা কৰিছিল। ইয়াৰ বাবে কোৰিয়া এখন শ্ৰেষ্ঠ দেশ হৈ উঠিল। মই দক্ষিণ কোৰিয়াৰ কথা কৈ আছো। ইয়াক বঢ়াই কোৱা কথা নহ'ব যে ঈশ্বৰৰ অনেক লোক ইয়াৰ পৰা উঠি আহিছে আৰু পৃথিৱীক ওলট-পালট কৰি দিছে।

গতিকে, মহৎ জাগৰণৰ বাবে, প্ৰকৃত পাপ স্বীকাৰ আৰু আন্তৰিক প্ৰাৰ্থনাবোৰৰ বহুত আৱশ্যক আছে। এই জাগৰণক ৰক্ষা কৰিবলৈ ঈশ্বৰৰ উৎসৰ্গীকৃত। সদস্যসকলৰ নিৰন্তৰ প্ৰাৰ্থনাৰ আৱশ্যকো আছে। যদি এনে কৰাত আমি ব্যৰ্থ হওঁ, জাগৰণৰ জুই নুমাই যাব। বেদীত থকা জুইক একেৰাহে জ্বলি থাকিবলৈ দিয়ক।

## প্ৰকৃত জাগৰণৰ দুটা পক্ষ !

১। ঈশ্বৰৰ লোকসকলৰ মাজত এটা জীৱিত জাগৰণ।
২। ঈশ্বৰৰ উপস্থিতিৰ পুনঃৰুদ্ধাৰ

## ১। ঈশ্বৰৰ লোকসকলৰ মাজত এটা জীৱিত জাগৰণ!

জ্বলন্ত প্ৰাৰ্থনাই এটা অতিপ্ৰাকৃতিক জাগৰণ আনিব। সাধু পৌলে লোকসকলক উৎসাহ দি কয় যে, "ঈশ্বৰৰ সকলো দয়াৰ দ্বাৰাই মই তোমালোকক এই মিনতি কৰো যে, তোমালোকে নিজ নিজ শৰীৰক ঈশ্বৰৰ গ্ৰহণীয়, জীৱিত আৰু পবিত্ৰ বলি স্বৰূপে উৎসৰ্গ কৰা...তোমালোক জগতৰ অনুৰূপ নহ'বা...। আজিকালি মণ্ডলীবিলাকত আৰু খ্ৰীষ্টিয়ান অনুস্থানবিলাকত প্ৰেৰিত আধ্যাত্মিক অভিজ্ঞতাবিলাকক কৰি যাব পৰা সুবিধা এটা দিয়া হৈছে। পৰিৱৰ্তে নতুনত্ব আৰু আধুনিকতা বিৰাজ কৰে। বৰ্তমানত উপবাস প্ৰাৰ্থনাবিলাকক আচৰিত কৰ্মৰ সভা আৰু জাগৰণ প্ৰাৰ্থনা সভালৈ ৰূপান্তৰিত হৈছে যাৰ বাবে ধন ঘটা ঠাইলৈ পৰিণত হৈছে। যিবিলাকে এটা বোজা লৈ প্ৰাৰ্থনা কৰিবলৈ এক গোট হয়, তেওঁবিলাকে নম্ৰতা আৰু নিৰন্তৰে প্ৰাৰ্থনা কৰিব লাগে যাতে আমাৰ প্ৰভুৱে তাক শুনিব আৰু উত্তৰ দিব। হিংস্ৰতা, দুৰ্নীতি আৰু অভিশাপবোৰক একেবাৰে গুচাব লাগিব আৰু আমাৰ দেশত শান্তি ও সমৃদ্ধি বিৰাজ কৰা উচিত।

আমাৰ দেশসমূহে প্ৰকৃত আত্মিক জাগৰণ পাবলৈ হ'লে, প্ৰথমে ঈশ্বৰৰ সন্তানসকলে তেওঁলোকৰ জীৱনবিলাকক ঈশ্বৰৰ ইচ্ছালৈ সমৰ্পন কৰা উচিত আৰু নতুন মন কৰাৰ দ্বাৰাই পৰিৱৰ্তন হ'ব লাগিব।

ইয়াৰ বিপৰীতে নতুন কিছু কৰিম বুলি, আজিৰ মণ্ডলীসমূহে মানুহৰ আগত ভুল বস্তুবোৰক আনি দিয়ে আৰু সেইবোৰক তেওঁলোকৰ লক্ষ্যবোৰত উপনীত হ'বলৈ তালিকাভুক্ত কৰি দিয়ে আৰু তাকে জাগৰণ বুলি ঘোষণা কৰে। মানুহবিলাকৰ জীৱনত পৰিৱৰ্তনে স্থান নোপোৱালৈকে তেওঁবিলাকৰ প্ৰাৰ্থনা, গীত-বাদ্য-যন্ত্ৰ, নাচ, সমৃদ্ধিশালী প্ৰচাৰ, আকৰ্ষণীয় প্লেটফৰ্ম উদ্ভাৱকমূলক পৰিচৰ্য্যাবিলাকৰ পৰিকল্পনাসমূহ এনেই অপব্যয় হ'ব। যদি কোনোবাই বৰ্তমান 'অসামান্য ঈশ্বৰৰ দাস'ৰ ওচৰলৈ যায়। এজনে তেওঁৰ জীৱনত ধনৰ প্ৰতি অভিলাষ আৰু হৃদয়ত থকা অহংকাৰ, স্বাৰ্থবোৰৰ পৰা বেয়া গোন্ধ ওলাই আছে। কিছুমান মানুহে ঈশ্বৰৰ ৰাজ্যৰ বিষয়টোক এফালে ৰাখে আৰু কয়, 'মোৰ মণ্ডলী', মোৰ পৰিচৰ্য্যা, মোৰ মিশ্বনেৰীবিলাক', 'মোৰ বাগিচা', মোৰ স্তম্ভ ইত্যাদি বুলি কয়। এই মোৰ ভাৱটোক গুচাই দিয়ক আৰু চাওক যে

*৮ পৃষ্ঠাত চাওঁক*


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ATA NEHEMIAH BIBLE COLLEGE CHENNAI — Regd. Candidate for Membership — ECHO OF HIS CALL ★ Estd.: 1969

**যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA**

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়লজি ঃ দুবছৰীয়া**

**অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক**

**নামভৰ্তিৰ বাবে সোনকাল কৰক!**

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## অনুগ্ৰহ কৰি আমাৰ মুখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৰী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচীবোৰ।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল ঃ পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। মালায়ালম প্ৰাৰ্থনা সভা ঃ আবেলি ২.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। হিন্দী উপাসনা ঃ আবেলি ৫.০০ দেওবাৰ
১৭। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৮। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২১। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৩। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ
২৪। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৫। পালকসকলৰ নিৰীক্ষণ সভা ঃ সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ
২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
২৭। নিশাৰ প্ৰাৰ্থনা ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ তৃতীয় শনিবাৰ
২৯। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩০। পুৱাৰ উপাসনা ঃ পুৱা ৫.৩০ বজাত দৈনিক
৩১। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩২। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দুৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
**Echo of His Call,** Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাসমূহ, চেন্নাই প্ৰয়োজন হৈছে

১। **অধ্যক্ষ**
নহিমিয়া বাইবেল কলেজ
অৰ্হতা ঃ এম, ডিভ (বা) এম, টি এইচ

২। **কম্পিউটাৰ কৰ্মী**
কম্পিউটাৰৰ সৈতে স্নাতক ডিগ্ৰী আৰু টাইপিঙত দক্ষতা থকা

যোগাযোগ কৰকঃ
ই-মেইল ঃ **sam@echoofhiscall.org**
হোৱাটচ এপ ঃ **+91-98412 71858**

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)


**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ছপাশাল
## THE PRINTING PRESS OF ECHO OF HIS CALL!

১৯৬৯-১৯৭১ চনত যেতিয়া মই এজন ডেকা হৈ আছিলো, আৰু মই এজন ঈশ্বৰৰ দাস স্বৰ্গীয় পালক এচ. দেৱাদাসনৰ আটাইতকৈ কনিষ্ঠ ব্যক্তি হিচাবে তেওঁৰ মাহেকীয়া আলোচনী 'হেৰল্ড অফ্ হিজ কামিং'ৰ বাবে আৰু তেওঁৰ ছপাশালত পৰিচৰ্য্যা কৰি আছিলো।

এই পালকজনে মোক প্ৰভুৰ পৰিচৰ্য্যাত দুখ-কষ্ট আৰু সততা আৰু ঈশ্বৰৰ পৰিচৰ্য্যাৰ প্ৰণালীবোৰৰ বিষয়ে শিক্ষা দিছিল। কাৰ্যালয় আৰু প্ৰশাসনীয় বিষয়বস্তুৰ বিষয়েও তেওঁ মোক শিক্ষা দিছিল। তেওঁৰ ধনৰ হিচাব-কিতাব ৰখা ব্যক্তি শ্ৰীমান বেদামাণিৰ অধীনত 'হিচাব' ৰখাৰ প্ৰশিক্ষণ লৈছিলো।

সেই সময়ত আমাৰ পালকজনে এটা নতুন ছপাশাল কিনি আনিছিল। তেতিয়া তাত শ্ৰীমান ৰাজ পুৰণি মডেলৰ মেছিন আছিল যাক হাতেৰে চলোৱা হৈছিল। যেতিয়া আমি এবাৰ হাতেৰে ঘূৰাও তেতিয়া মাত্ৰ এখনহে ছপা হৈছিল।




হাতেৰে চলোৱা ছপাশাল

যদিও তেনেদৰে কৰাটো কঠিন কাৰ্য্য আছিল তথাপি মই অতি আনন্দেৰে হেণ্ডেলটো মই ঘূৰাইছিলো। আটাই মাহেকীয়া আলোচনী ছপা কৰিবলৈ ৫০,০০০ বাৰ মই হেণ্ডেলটোক ঘূৰাব লগীয়া হৈছিল। প্ৰত্যেক বাৰ ঘূৰাওতে মই প্ৰভুৰ প্ৰশংসা হওঁক বুলি কৈছিলো। এইদৰে মই ৫০,০০০ বাৰ 'প্ৰভুৰ প্ৰশংসা হওঁক' বুলি কৈছিলো। পালকে মই এইদৰে কৰাটো চাই আছিল আৰু তেওঁ নিজেও উৎসাহিত হৈছিল।


পালায়ামাকট্ৰাই নামে ঠাইত থকা 'নতুন জীৱন' নামৰ আলোচনীখনৰ কাৰ্য্যালয়লৈও তেওঁ মোক নিছিল আৰু সেই ছপাশালত কিদৰে আলোচনী ছপা হৈছিল তাক দেখুৱালে। মই সেই পুৰণি ছপাশাল আৰু মানুহবিলাকে বহি তাত আলোচনীখন ভাজ কৰি থকা দেখিলো তেওঁলোকে আলোচনীবোৰক বান্দিল বান্দিল কৰি বান্ধি পোষ্ট অফিচলৈ নিছিল। যেতিয়া মই তেওঁবিলাকক এই কাৰ্য্য কৰা দেখিলো, তেতিয়া মই এই ধৰণৰ পৰিচৰ্য্যা কৰিবলৈ মনত থিৰাং কৰিলো। সেইদিনাৰ পৰা এখন শুভবাৰ্তাৰ ছপাশালৰ বাবে মোৰ মনত সাঁচ বহি গ'ল। বহুত মানুহক এই বিষয়ে বিতংকৈ সুধিছিলো।

এবাৰ মই ১০০ টা প্ৰিণ্টিং মেছিন শাৰী পাতি ৰখা ঠাইলৈ যাবলৈ পালো আৰু ইয়াৰ মালিক ঈশ্বৰৰ এজন দাস আছিল। মই তেওঁক মেছিনটোৰ বিষয়ে সুধিলো। তেওঁ মোক এই বুলি উত্তৰ দিলে, "এইটো কেৱল বহুত ধনী লোকেহে কিনিব পাৰিব। তুমি ইয়াক কিনিব নোৱাৰা। আনকি যদি কোনোবাই তোমাক ইয়াক দান হিচাবেও দিয়ে তুমি ইয়াক ৰক্ষণাবেক্ষণ দিব নোৱাৰিবা।" তেওঁৰ কথা শুনি মোৰ হৃদয়খন ভাঙি গৈছিল। মই চিধাই ঘৰলৈ ঘূৰি গ'লো আৰু আঁঠু লৈ ঈশ্বৰৰ আগত সেই মানুহজনে কোৱা কথা ক'লো।




ঈশ্বৰে মোৰ প্ৰাৰ্থনা শুনিলে। ঈশ্বৰে মোক এটা পুৰণি ছপাশাল দিলে। সেই একেই ধৰণৰ ছপাশাল দক্ষিণ আফ্ৰিকাত থকা 'ব্ৰয়েম ফনটেইন' নামৰ এটা ঠাইৰ মিউজিয়ামত পোৱা যায়। ঈশ্বৰে মোক যি ছপাশাল দিছিল সেইয়া প্ৰাচীন কালৰ ছপাশাল আছিল। চেন্নাইৰ ৰাচেৰমেণ্টপেট'ৰ ভাই সুন্দাৰামৰ আছিল। তেওঁক ইয়াক ব্যৱহাৰ কৰিব পৰা নাছিল। গতিকে তেওঁ মোক এইখনক নিম্ন মূল্যৰ বিনিময়ত দিছিল।

পাছত, ঈশ্বৰে মোক মোৰ শুভবাৰ্তাৰ ছপাশালখনক উন্নত কৰাত সহায় কৰিলে আৰু ঈশ্বৰে মোক এটা অট'মেটিক অফচেট প্ৰিণ্টিং প্ৰেছ দিছে য'ত মই তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনীখন ১৬ টা ভাষাত ছপা কৰো। ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আমি এই ছপাশালত ভিন ভিন ভাষাত আত্মিক পুস্তকসমূহ ছপা কৰো আৰু গোটেই পৃথিৱীৰ চুকে-কাণে বিনামূলীয়াকৈ পঠিয়াই দিওঁ।



বৰ্তমানৰ স্বয়ংক্ৰিয় অফছেট প্ৰিণ্টিং মেছিন

এতিয়াৰ স্থানক পাবলৈ মই বহুত কষ্টৰ মাজেদি যাবলগীয়া হৈছিল। প্ৰিয় বন্ধুসকল, আপুনিও এটা কষ্টকৰ পথৰ মাজেদি যাবলগীয়া হৈছেনে? প্ৰভু যীচু খ্ৰীষ্টই আপোনালৈ দিয়া এই পৰিচৰ্য্যা কৰিবলৈ সহায় কৰিব। আপুনি নিৰাশ নহ'ব।

**"...চকুৱে যি যি নেদেখিলে, কানে যি যি নুশুনিলে আৰু মানুহৰ হৃদয়তো যি যি নোসোমালে, ঈশ্বৰে তেওঁক প্ৰেম কৰোঁতাবিলাকৰ নিমিত্তে যি সকলো যুগুত কৰিলে"**

**(১ কৰিন্থীয়া ২ঃ৯)**

❖❖❖❖❖

*....Contd. from page 6*

ঈশ্বৰে আমাত কি চাই আছে। কেতিয়াবা মনত খেলিমেলিও সৃষ্টি হয়, যেতিয়া ঈশ্বৰৰ এজন দাসে, পৰিচৰ্য্যা কৰাৰ অজুহাত দেখুৱাই কিবা উলিয়াবলৈ আনজনক লগ কৰে, অভাৱে তেওঁলোকৰ আলোচনা একপক্ষীয় ব্যৱসায়ত পৰিণত হয়।

## ২। ঈশ্বৰৰ উপস্থিতিৰ পুনঃৰুদ্ধাৰ

যোৱা ত্ৰিশ বছৰত অনেক সংখ্যাত ঈশ্বৰৰ দাসসকল ওলাইছে। গতিকে বহুত পৰিচৰ্য্যাও বৃদ্ধি হৈছে। কিন্তু ভাল মনোভাৱৰ উন্নত হোৱাৰ পৰিৱৰ্তে খেলিমেলি আৰু বেয়া চিন্তাধাৰাৰ বৃদ্ধি হৈছে। কিছুমান মণ্ডলীত আৰু সমাজত কিছুমান মানুহে বিশেষ এটা বিষয়ক কেন্দ্ৰ কৰি বহুত বছৰ ধৰি প্ৰাৰ্থনা কৰিবলৈ আগবাঢ়ি আহে। কিছুমান আত্মাবিলাকে আত্মিক সন্তুষ্টি নোপোৱাত এটা মণ্ডলীৰ পৰা আন এটা মণ্ডলীলৈ ঘূৰি ফুৰে। যি মণ্ডলীবিলাকৰ বিশ্বৰ ৰাজনীতিক পৰিৱৰ্তন কৰা ক্ষমতা আছে, ইয়াৰ আগত কঁপি থাকে।

ঈশ্বৰৰ ইচ্ছা এইয়ে যে তেওঁৰ দাসসকলৰ পৰাক্ৰমী প্ৰচাৰৰ দ্বাৰাই মানুহবিলাকৰ জীৱনত পৰিৱৰ্তন আহিব লাগে আৰু চয়তানক খেদি পঠাব লাগে। কিন্তু পৰিচৰ্য্যাৰ মহিমা ক্ষীণাই গৈছে কিয়? এক সত্য কথা, যে ঈশ্বৰে তেওঁৰ উপস্থিতিক ঘূৰাই লৈছে।

গতিকে, আমাৰ বাবে আত্মদৰ্শনৰ প্ৰয়োজন যে আমি ক'ত ঈশ্বৰৰ উপস্থিতিক হেৰুৱালো আৰু কি পৰিস্থিতত আমাৰ বাবে প্ৰেৰিত অভিষেকক ঘূৰাই নিয়া হ'ল। প্ৰাৰ্থনাৰ আত্মা আৰু মিনতিৰ আত্মাক মণ্ডলীসমূহৰ ওপৰত আৰু পৰিয়ালসকলৰ ওপৰত বাকী দিয়া হ'ব লাগিব। যেতিয়া ইয়াক বাকী দিয়া হ'ব, মানুহবিলাকে জাগৰণৰ বাবে কান্দিব। ধ্বংস হোৱা আত্মাবিলাকৰ বাবে তেওঁলোকে দুখ কৰিব আৰু যিকোনো ত্যাগৰ কাৰ্য্য কৰিবলৈ তেওঁলোকে আগবাঢ়ি আহিব।

এতিয়া সময় হৈছে যে আমি এটা জাগৰণৰ সাক্ষ্য দাঙি ধৰিব লাগিব। এই গতিকে ঈশ্বৰে আমাক এই পৃথিৱীত এতিয়ালৈকে জীয়াই ৰাখিছে। সকলো মৃত কাৰ্য্যবোৰ স্বাৰ্থপৰ পৰিচৰ্য্যাবোৰক ত্যাগ কৰক আৰু ঈশ্বৰলৈ আহক আৰু মনত বোজা লৈ জাগৰণৰ ডাঙৰ শস্য চপোৱাৰ বাবে প্ৰাৰ্থনা কৰক। কাৰ্য্য কৰিবৰ বাবে আপোনাৰ ভৰিক সাজু কৰক!

❖❖❖❖❖

**গীতমালা ১২১ ঃ ৭-৮**

যিহোৱাই তোমাক সকলো অমঙ্গলৰ পৰা ৰক্ষা কৰিব; তেওঁ তোমাৰ প্ৰাণ ৰক্ষা কৰিব। যিহোৱা এতিয়াৰ পৰা অনন্ত কাললৈকে তুমি ওলাওতে সোমাওঁতে তোমাক ৰক্ষা কৰিব।

# বিশেষ প্ৰাৰ্থনাৰ অনুৰোধ ঃ

১। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাই আৰ্থিক সংকটৰ সন্মুখীনৰ পৰিৱৰ্তন হ'ব লাগে।

২। এটা বিশেষ দৰ্শনৰ সৈতে ঈশ্বৰক সেৱা কৰিবলৈ ইচ্ছা কৰা লোকক ঈশ্বৰে যোগায় দিব লাগে। আমাৰ চেন্নাই অফিচত, গ্ৰাম্য হাইস্কুলত, আমাৰ বাইবেল কলেজ সমূহত, শুভবাৰ্তা ছাপাশালত, মণ্ডলীসমূহত আৰু আমাৰ মিশ্বন ফিল্ড সমূহত উৎসৰ্গীকৃত কৰ্মীৰ প্ৰয়োজন হৈছে।

৩। ঈশ্বৰৰ পৰিচৰ্য্যাত বাধা দিয়া সকলো লোকবিলাকে মন পালটন কৰিব লাগে।

৪। যি পালকসকলে সকলো ধৰণৰ আৰামদায়ক বস্তুক উপভোগ কৰি আছে, কেৱল নিজৰ উন্নতিৰ বাবে চিন্তা কৰা উচিত নহয়, কিন্তু মণ্ডলী নথকা গ্ৰাম্য অঞ্চলবিলাকত মণ্ডলী স্থাপন কৰিবলৈ তেওঁলোকৰ ধন ব্যৱহাৰ কৰিব লাগে। ঈশ্বৰৰ এজন দাসে কৈছিল, "যদি ঈশ্বৰৰ অনেক দাসসকলৰ হাতত ব্যৱহাৰ নোহোৱা ধন আছে তেন্তে মুকলি কৰি দিয়ক যাতে ভাৰতৰ সকলো গ্ৰাম্য অঞ্চলসমূহত এখন বা তাতকৈ অধিক মণ্ডলী নিৰ্মাণ কৰিব পৰা যাব।" দয়া কৰি এই বিষয়সমূহক মনত ৰাখি প্ৰাৰ্থনা কৰক।

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

-সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th APRIL 2023**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

***JESUS LOVES YOU!***

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**